Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



সপ্তম শ্ৰেণীৰ বাবে

অংকুৰণ

পাঠ - ৬

নোকোৱাৰ পৰিণাম

অংশ - ২

পুণ্যব্ৰত বৰদলৈ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

৩য় দৃশ্য

[সাংস্কৃতিক কার্যক্রমৰ আৰম্ভণি। বিদ্যালয়ৰ অস্থায়ী প্রেক্ষাগৃহৰ আছুতীয়া ঠাইত শিক্ষক-শিক্ষয়িত্রীসকলে আসন গ্রহণ কৰিছে। অনুষ্ঠানৰ পাতনি মেলা হৈছে শ্রীশ্রী মাধৱদেৱ বিৰচিত 'তেজৰে কমলাপতি'.... বৰগীতটিৰে।]

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ঘোষক : এইবাৰ কলাগুৰু বিষ্ণুপ্রসাদ ৰাভাৰ 'বিলতে হালিছে' গীতটিৰ ভিত্তিত ৰচিত এখনি নৃত্য-আলেখ্য আগবঢ়োৱা হ'ব।



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পৰিৱেশন কৰিব শ্ৰীমতী হুনমিলি আৰু তেওঁৰ সতীৰ্থসকলে। (ছোঁ-ঘৰত শৈলবালা, মালতী, হুনমিলিহঁতৰ কথোপকথন শুনা যাব।)

শৈলবালা : আমি ততাতৈয়াকৈ আৰম্ভ কৰোঁ আহা; নহ'লে ছাৰ-বাইদেউসকলে আমনি পাব।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

হুনমিলি : এৰা, ৰিহাখন ঠিক-ঠাক কৰি লওঁ, ৰ'বা। শৈল, ফোঁটটো লৈ লোৱা।

মালতী : ব'লা, আমি নৃত্য আলেখ্যখন আৰম্ভ কৰোঁগে (তেওঁলোকে মঞ্চত প্ৰৱেশ কৰি বিষ্ণুৰাভাৰ 'বিলতে হালিছে....' গীতটিৰ তালে তালে নাচিবলৈ আৰম্ভ কৰিলে)

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

(নৃত্যৰত অৱস্থাতে হঠাৎ শৈলবালা মূৰ্ছা গৈ বাগৰি পৰিল। সকলোফালে হুৱা-দুৱা লাগিল। 'কি হ'ল, কি হ'ল' বুলি, ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলো উধাতু খাই আহিল)

হুনমিলি : মালতী, শৈলক ধৰাচোন। আমি দাংকোলাকৈ নি বাইদেউৰ কোঠাতে থওঁগে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্ৰধান শিক্ষয়িত্ৰী : ব'লা, আৰু এজনীয়ে ধৰাচোন। চাবাহঁক, যাতে কষ্ট নাপায়। (শৈলক প্ৰধান শিক্ষয়িত্ৰীৰ আহল-বহল কোঠালৈ নি শুৱাই থোৱা হ'ব)

হুনমিলি : এতিয়া আকৌ বিদ্যুতেই নাই। কোনোবাই এখন বিচনী আনিবানে?

শৈলক বিচিব লাগে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মালতী : বাইদেউ, মূৰ্ছা গৈছে বাবে চামৰাৰ চেণ্ডেল এপাটকে শেলক শুঙাই দিওঁনে? মূৰ্ছা গ'লে আইতাহঁতে এনে কৰা দেখিছোঁ। *(মালতীয়ে চেণ্ডেল এপাট খুলিবলৈ উদ্যত হ'ব)*

প্ৰধান শিক্ষয়িত্ৰী : নাই নাই! চেণ্ডেলপাট মুখত লগাবানে? বনৌষধি কিবা এবিধ লগোৱাৰ কথা হ'লেও বেলেগ কথা। *(শিক্ষয়িত্ৰীৰ কথাত মালতী থমকি ৰ'ব)*।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

হুনমিলি : (ফেঁকুৰি, ফেঁকুৰি) এতিয়া শৈলৰ কি হ'ব?

শিক্ষক : ৰ'বাচোন, বেছি চিন্তা নকৰিবা।

প্ৰধান শিক্ষয়িত্ৰী : ইছলাম, চিকিৎসক পেগুক এতিয়াই লৈ আহক।

শিক্ষক : হ'ব বাইদেউ, মই এতিয়াই ডাক্তৰক লৈ আহিম। আপুনি মাত্ৰ শৈলই যাতে মুকলি বতাহ পাই থাকে তালৈ লক্ষ্য ৰাখিব।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

৪য় দৃশ্য

[প্ৰধান শিক্ষয়িত্ৰীৰ কোঠাত ডাঃ পেগুয়ে শৈলবালাক চিকিৎসা কৰি আছে। সকলোৱে চকুৱে মুখে উদ্বিগ্নতাৰ চিন। মালতীয়ে শৈলক লাহে লাহে বিচি থাকে]



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্ৰধান শিক্ষয়িত্ৰী : ডাংপেগু, ছোৱালীজনীৰ হঠাৎ কি হ'ল? ধৰিব পাৰিছেনে বাৰু?

ডাং পেগু : (খন্তেক চিন্তা কৰি গম্ভীৰভাৱে ক'ব) এয়া হঠাৎ সংঘটিত হ'লেও কাৰণটো কিন্তু অকস্মাৎ উদ্ভৱ হোৱা নহয়।

শিক্ষক : (ডাক্তৰলৈ লক্ষ্য কৰিব) মানে? আপুনি কি ক'ব বিচাৰিছে?

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ডাং পেগু : ক'ব বিচাৰিছোঁ মানে.....। আচলতে ছোৱালীজনীৰ এক গুৰুতৰ অসুখ আছে। তেওঁ যোৱা কেইবাবছৰ ধৰি মৃগী ৰোগত ভুগি আছে। মাক- দেউতাকেও এই কথা নিশ্চয় জানে। কিন্তু, ছোৱালীজনীক আনে বেমাৰী বুলি হাঁহিব পাৰে বুলি সংকোচ কৰি বোধকৰোঁ মাক-দেউতাকে চিকিৎসাৰ ব্যৱস্থা কৰা নাই।

(ইতিমধ্যে শৈলবালা কিছু সুস্থিৰ হ'ল)

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্ৰধান শিক্ষয়িত্ৰী : (আচৰিত হৈ) কি কয় আপুনি?

ডা° পেগু: হয়, এয়া এক নিৰ্মম বাস্তৱ। কুসংস্কাৰ আৰু লোক নিন্দাৰ ভয়ত অনেক লোকে সন্তানৰ বেমাৰ লুকুৱাই ৰাখে। পাছলৈ ই হয়গৈ সৰ্বনাশৰ মূল। কেতিয়াবা হয়তো ই দুৰাৰোগ্য ৰূপো লয়। বহুতে কৈশোৰ কালৰ দৈহিক পৰিৱৰ্তন সম্পৰ্কে গুৰুত্ব নিদিয়ে। ফলত অবাঞ্ছিত পৰিস্থিতিৰ মুখামুখিও হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

গতিকে তেওঁলোকে সন্মুখীন হোৱা সমস্যাসমূহক লুকুৱাই নাৰাখি অভিভাৱকৰ লগত মুকলি মনেৰে আলোচনা কৰিব লাগে। মোৰ অনুৰোধ, পিতৃ-মাতৃ, অভিভাৱক আৰু সমাজে কৈশোৰ কালত দেখা দিয়া বিভিন্ন সমস্যাক গুৰুত্ব দি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। লগতে আপোনালোকে এই সম্পৰ্কে মুকলিকৈ ছাত্ৰ-ছাত্ৰীৰ লগত আলোচনা কৰিব পাৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

শিক্ষক : ইচ, এইবোৰ বৰ বেয়া কথা। বেমাৰ হ'লে সময়মতে চিকিৎসা কৰাব লাগে।

ডাঃ পেগু: যিয়েই নহওক, এতিয়া মই প্রয়োজনীয় ঔষধ-পাতি লিখি দিছোঁ। ছোৱালীজনীৰ অভিভাৱকক বিতংভাৱে জনাব। চাব, যাতে হিতে বিপৰীত নহয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্ৰধান শিক্ষয়িত্ৰী : হ'ব, ডাঃ পেগু। আপোনাক অশেষ ধন্যবাদ (মালতীহঁতলৈ লক্ষ্য কৰি) মালতী, তোমালোকে বুজিলানে?

মালতী : বুজিলোঁ বাইদেউ, উপলব্ধিও কৰিছোঁ — নোকোৱাৰ পৰিণাম কি ভয়ানক!

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। কি গীত পৰিবেশন কৰি অনুষ্ঠানৰ পাতনি মেলা হৈছিল ?

উত্তৰঃ শ্ৰীশ্ৰী মাধৱদেৱ বিৰচিত 'তেজৰে কমলাপতি'.... বৰগীতটিৰে অনুষ্ঠানৰ পাতনি মেলা হৈছিল।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



২। মালতীয়ে কি ৰোগত ভুগি আছে ?

উত্তৰঃ মালতীয়ে মৃগী ৰোগত ভুগি আছে।